# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-OCT-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------

১। সোণাপুৰৰ জুবিন গাৰ্গৰ সমাধিক্ষেত্ৰত আইন ভংগ কৰা লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। কোকৰাঝাৰৰ ৰে'লৱে পথত সংঘটিত বিস্ফোৰণৰ ঘটনাত জড়িত বুলি সন্দেহ কৰা মাওবাদী ৰোহিত মুৰ্মুৰ সংঘৰ্ষত মৃত্যু।

৩। শিক্ষা সঞ্চালকালয়ৰ অধীনৰ ৫ হাজাৰ ৫৫০টা নিম্ন আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ শিক্ষক পদৰ দ্বিতীয়খন মেধা তালিকা আজি নিশা ৯ বজাত প্ৰকাশৰ ব্যৱস্থা।

৪। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আধাৰশিলা স্থাপন কৰিবলগীয়া গহপুৰৰ ছহিদ কনকলতা বিশ্ববিদ্যালয়ৰ নিৰ্মাণস্থলী মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ পৰ্যবেক্ষণ। *আৰু*

৫। ছিডনীত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ভাৰতৰ দৰ্শনীয় জয়লাভ।

০০০০০

সোণাপুৰৰ জুবিন গাৰ্গৰ সমাধিক্ষেত্ৰত আইন ভংগ কৰা লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সকীয়াই দিয়ে। তেওঁ কাছাৰৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰি এই সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। ৰাইজৰ অনুৰোধমৰ্মে জুবিনক্ষেত্ৰ বন্ধ কৰাৰ সময়সীমা নিশা ১০ বজাৰ পৰিৱৰ্তে ১১ বজালৈ বৃদ্ধি কৰা হৈছে বুলি তেওঁ কয়।

**ৰাইট (চি এম)**

কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত সুমীত ছাত্ত্ৰৱনেও জুবিনক্ষেত্ৰত প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা মানি চলিবলৈ ৰাইজক আহ্বান জনাইছে। স্থানীয় লোকৰ সিদ্ধান্ত অনুসৰি জুবিনক্ষেত্ৰত প্ৰৱেশৰ সময়সীমা নিৰ্ধাৰণ কৰা হৈছে বুলি তেওঁ কয়।

**বাইট (সুমীত ছাট্টাৱান)**

মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি কাছাৰৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিন্নাকান্দি মণ্ডল বিজেপিৰ কাৰ্যালয় আৰু লক্ষীপুৰ মণ্ডল বিজেপিৰ কাৰ্যালয় উদ্বোধন কৰে। ইয়াৰ পাছত তেওঁ লাবক খেলপথাৰত লক্ষীপুৰ বিধানসভা সমষ্টিৰ ১৯ হাজাৰৰো অধিক মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেকসমূহ বিতৰণ কৰে। এই অনুষ্ঠানত অংশ লৈ তেওঁ কয়, যে বিজেপি চৰকাৰে মহিলাৰ উন্নয়নৰ বাবে অহৰহ কাম কৰি আছে। বৰ্তমান ৰাজ্যৰ প্ৰায় ৪ লাখ আত্মসহায়ক গোটৰ সৈতে ৪০ লাখ মহিলা জড়িত হৈ আছে বুলি তেওঁ কয়। অৰুণোদয় মহিলা উদ্যমিতা আঁচনিৰ জৰিয়তে মহিলাসকলক আৰ্থিকভাৱে স্বচ্ছল কৰি তোলাৰ বাবে চৰকাৰে পদক্ষেপ লৈছে বুলি তেওঁ কয়। মহিলাৰ সুৰক্ষা নিশ্চিত কৰিবলৈ লাভ জেহাদ ৰোধ কৰিবলৈ শীঘ্ৰেই নতুন আইন প্ৰণয়ন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। লাভ জেহাদত জড়িত থকা লোকৰ পিতৃ-মাতৃকো গ্ৰেপ্তাৰ কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে।

০০০০০

কোকৰাঝাৰ জিলাৰ শিঙিমাৰী ৰে'লৰে পথত যোৱা ২৩ অক্টোবৰত সংঘটিত আই ই ডি বিস্ফোৰণৰ ঘটনাত জড়িত বুলি সন্দেহ কৰা মাওবাদী অসীম হেমব্ৰম ওৰফে ৰোহিত মুৰ্মুৰ আৰক্ষীৰ সৈতে হোৱা এটা সংঘৰ্ষত কালি মৃত্যু হয়। ছালাকাটি আৰক্ষী চকীৰ সমীপৰ নন্দনগিৰি পাহাৰত সংঘটিত এই সংঘৰ্ষত মাওবাদীজন নিহত হোৱা বুলি কোকৰাঝাৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পুষ্পৰাজ সিঙে সাংবাদিকৰ আগত প্ৰকাশ কৰে। নিহত মাওবাদীজন পাহাৰত লুকাই থকাৰ তথ্য লাভ কৰাৰ পাছতেই আৰক্ষীয়ে অভিযান আৰম্ভ কৰিছিল। এই সময়তে মাওবাদীৰ সৈতে হোৱা গুলীচালনাত ৰোহিত মুৰ্মুৰ মৃত্যু হয়।

**বাইট (পুষ্পৰাজ সিং)**

নিহত ৰোহিত মুৰ্মুৰ বিৰুদ্ধে ঝাৰখণ্ডত ১২টা আৰু অসমত দুটা গোচৰ ৰুজু হৈ আছে। শেহতীয়াকৈ জিলাখনৰ বহু আদিবাসী অধ্যুষিত এলেকাত ৰোহিত মুৰ্মুৱে নেচনেল চাওতাল লিবাৰেচন আৰ্মীৰ সদস্যভৰ্তিৰ কামত জড়িত হৈ আছিল। আজি অভিযানৰ সময়ত আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা এটা পিষ্টল, এটা গ্ৰেণেড, এখন ভোটাৰ কাৰ্ড আৰু ঝাৰখণ্ডৰ এখন আধাৰ কাৰ্ড উদ্ধাৰ কৰে। নিহত মুৰ্মুৰ সহযোগীৰ সন্ধানত আৰক্ষীয়ে অঞ্চলটোত অভিযান অব্যাহত ৰাখিছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৭ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

00000

অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনৰ পাঁচ হাজাৰ ৫৫০ টা নিম্ন আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ শিক্ষক পদৰ দ্বিতীয়খন প্ৰাৰম্ভিক মেধা তালিকা আজি নিশা  ৯ বজাত প্ৰকাশ কৰা হ'ব। প্ৰাৰ্থীসকলে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ ৱেবছাইট dee.assam.gov.in ত নিজৰ ফলাফলসমূহ চাব পাৰিব।

00000

বিশ্বনাথ জিলাৰ গহপুৰত নিৰ্মাণ হ'বলগীয়া ছহিদ কনকলতা বিশ্ববিদ্যালয়ৰ নিৰ্মাণস্থলী আজি শিক্ষামন্ত্ৰী ডঃ ৰণোজ পেগুৱে পৰিদৰ্শন কৰে। অহা ৮ নৱেম্বৰত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে গহপুৰৰ ঐতিহ্যমণ্ডিত ভোলাগুৰি চাহ বাগিছাত এই বিশ্ববিদ্যালয়খনৰ আধাৰশিলা স্থাপন কৰিব। ৭৪০ বিঘা ভূমিত নিৰ্মাণ হ'বলগীয়া ৰাজ্যিক বিশ্ববিদ্যালয়খনত পৰম্পৰাগত বিষয়সমূহৰ লগতে কৃত্ৰিম বুদ্ধিমত্তা, ৰ'বটিক ছাইন্স, থ্ৰীডি প্ৰিণ্টিঙকে ধৰি কেইবাটাও আধুনিক বিষয় অন্তৰ্ভুক্ত হ'ব। শিক্ষা মন্ত্ৰী ডাঃ পেগুৱে আজি নিৰ্মাণস্থলী পৰিদৰ্শন কৰি কামৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে ৮ নৱেম্বৰৰ অনুষ্ঠানৰ পৰিস্থিতি সন্দৰ্ভত সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰে।

00000

ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধীকৰণে বৰাক নৈত খনন কাৰ্য আৰম্ভ কৰিছে। বদৰপুৰ ঘাটৰ জাহাজঘাটত আয়োজিত অনুষ্ঠানত এই খনন কাৰ্যৰ শুভাৰম্ভ কৰা হয়। প্ৰায় চাৰে ১০ কিলোমিটাৰ নৈ খনন কাৰ্যৰ দ্বাৰা বদৰপুৰ ঘাটলৈ জাহাজ চলাচল সূচল কৰি তুলিবলৈ এটা চেনেল নিৰ্মাণ কৰা হ'ব। ৩২ মিটাৰ প্ৰস্থ আৰু দুই মিটাৰ গভীৰতালৈ খনন কৰাৰ বাবে এই কাম সম্পন্ন কৰা হ'ব। এই প্ৰকল্পৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৪৪ কোটি টকাৰ অনুমোদন দিছে আৰু তিনি বছৰৰ ভিতৰত এই কাৰ্য সম্পন্ন হোৱাৰ সম্ভাৱনা আছে।

00000

ষট পূজা উপলক্ষে গুৱাহাটীৰ আৰক্ষী উপায়ুক্ত কাৰ্যালয়ে অহা ২৭ আৰু ২৮ অক্টোবৰত মহানগৰীখনত যানবাহন চলাচলৰ ক্ষেত্ৰত কেতবোৰ নীতি-নিৰ্দেশনা জৰি কৰিছে। ২৭ অক্টোবৰৰ দিনৰ ১১ বজাৰ পৰা ২৮ অক্টোবৰৰ

দিনৰ ১১ বজালৈ এই নিৰ্দেশনাসমূহ কাৰ্যকৰী হ'ব। এই অনুসৰি গুৱাহাটী মহানগৰীত এই সময়ছোৱাত সামগ্ৰী পৰিবাহী গধূৰ বাণিজ্যিক বাহন আৰু অন্য গধূৰ বাহন প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। অৱশ্যে মাছখোৱা অঞ্চলত পূজাৰ সামগ্ৰী আৰু ভক্তসকলক কঢ়িয়াই নিয়া বাহনসমূহ চলাচলত অনুমতি দিয়া হ'ব। ঠেলা, ৰিক্সা, ঘোঁৰাগাড়ীকে ধৰি লঘূ বাহনসমূহ মাছখোৱাৰ পৰা মুখ্য ন্যায়াধীশৰ ভৱনলৈ পথছোৱাত এই সময়ছোৱাত চলাচলৰ অনুমতি দিয়া হ'ব। তদুপৰি আন্তঃজিলা বাছসমূহ ৰাষ্ট্ৰীয় ঘাইপথেৰেহে চলাচল কৰাৰ অনুমতি দিয়া হৈছে। ভৰলুমুখৰ দিশৰ পৰা চানমাৰি অভিমুখী ছিটী বাছসমূহ এইছ বি ৰোড নাইবা এ টি ৰোডৰ বিকল্প পথ ল'বলৈ কোৱা হৈছে। একেদৰে চানমাৰি দিশৰ পৰা অহা ছিটীবাছ তথা অন্যান্য বাহনসমূহ  পাণবজাৰৰ ছেচন ন্যায়াধীশৰ আদালতৰ সন্মুখেৰে ভৰলু মুখলৈ যাবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০

ৰাজ্য চৰকাৰে ঘোষণা কৰা গ্ৰন্থ বৰ্ষৰ সৈতে সংগতি ৰাখি বঙাইগাঁৱত যোৱা ২২ অক্টোবৰৰ পৰা অনুষ্ঠিত অসম গ্ৰন্থমেলাৰ আজি চতুৰ্থ দিনত কেইবাটাও অনুষ্ঠানৰ আয়োজন কৰা হয়। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই বঙাইগাঁৱৰ গান্ধী মৈদানত আয়োজন কৰা এই গ্ৰন্থমেলাত আজি বিয়লি অসমীয়া ভাষা আৰু সংস্কৃতিৰ বিকাশত কথিত ভাষা আৰু লোক সংস্কৃতিৰ প্ৰভাৱ শীৰ্ষক আলোচনা সত্ৰ অনুষ্ঠিত হয়। আলোচনা সত্ৰ সঞ্চালনা কৰি লেখক কৰুণাকান্ত ৰায়ে পৃথিৱীৰ সকলো মান্য ভাষা আৰু বিকশিত সংস্কৃতিৰ মূলাধাৰ কথিত ভাষা আৰু লোকসংস্কৃতি বুলি মন্তব্য কৰে। বঙাইগাঁও বিশ্ববিদ্যালয়ৰ প্ৰাক্তন সহযোগী অধ্যাপক ড০ ৰূপাঞ্জলী দেৱীয়ে অসমীয়া ভাষাটো কথিত ভাষাৰ দ্বাৰাই সমৃদ্ধ হৈছে বুলি নিজৰ ভাষণত উল্লেখ কৰে। আন এগৰাকী আলোচক শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ ধুবুৰী চৌহদৰ সহকাৰী অধ্যাপক ড০ হীৰেন দাসে কঠিত ভাষাৰ পৰা অৰ্থবহ শব্দসমূহ অভিধানত অন্তৰ্ভুক্ত কৰিলে অসমীয়া ভাষাটো অধিক শক্তিশালী হ'ব বুলি মত প্ৰকাশ কৰে। আজি গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি সাংস্কৃতিক প্ৰতিযোগিতাও অনুষ্ঠিত হয়।

ডিব্ৰুগড়ৰ মিলন জ্যোতি সংঘৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত অহা ১২ৰ পৰা ২২ ডিচেম্বৰলৈ চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। ৰাজ্যৰ আগশাৰীৰ পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উপৰি কলকাতা, দিল্লী আৰু বাংগালুৰুৰ আগশাৰীৰ প্ৰকাশন গোষ্ঠীয়ে গ্ৰন্থমেলাত যোগদান নিশ্চিত কৰিছে।

০০০০০

১৯৮৫ চনৰ ২৪ মাৰ্চত তেতিয়াৰ মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়ৰ পুৰণি প্ৰসূতি কক্ষ এটাক উন্নীত কৰা হৈছিল এটা টেলিভিছনৰ ষ্টুডিঅ'লৈ। এয়াই আছিল গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ আৰম্ভণি। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰথমবাৰৰ বাবে টেলিভিছনৰ বাতৰি প্ৰচাৰ আৰম্ভ হৈছিল। বহু ঘটনাৰ সাক্ষী এই গুৱাহাটী দূৰদৰ্শনৰ বাতৰি বিভাগ।

প্ৰম'..

আজি নিশা ৮ বাজি দুই মিনিটৰ দৃষ্টিপাত অনুষ্ঠানৰো বিষয় এই গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাতৰি বিভাগ। ইয়াত লগ পাব বাতৰি বিভাগৰ জন্মলগ্নৰ পৰা জড়িত কেইগৰাকীমান বিষয়া-কৰ্মচাৰী আৰু পৰিৱেশকক। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

শিৱসাগৰ জিলাৰ কোনো কোনো অঞ্চলত আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰকোপ বৃদ্ধি পোৱাত জিলা প্ৰশাসনে কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়াৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত জিলাখনৰ ভাৰপ্ৰাপ্ত জিলা দণ্ডাধীশ সমীৰণ বৰাই ছোৱাইন ফিভাৰৰ সংক্ৰমণ ৰোধৰ বাবে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা-২০২৩,ৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰে। এই নিষেধাজ্ঞা অনুসৰি আমগুৰি ৰাজহ চক্ৰৰ অধীনত জীৱিত গাহৰি, গাহৰি মাংসৰে প্ৰস্তুত কৰা সামগ্ৰী আৰু গাহৰি মাংসৰ সৰবৰাহ নিষিদ্ধ

কৰা হৈছে। আনহাতে, আমগুৰি ৰাজহ চক্ৰৰ অধীনত গাহৰিৰ মৃত্যুৰ সন্দৰ্ভত যিকোনো বিষয় বা বাতৰি, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ দৃষ্টিগোচৰ কৰাৰ লগতে মৃত গাহৰিৰ দেহটো দকৈ মাটি খান্দি তথা কঠোৰ জৈৱ সুৰক্ষামূলক ব্যৱস্থা অৱলম্বন কৰি পুতি থোৱাটো বাধ্যতামূলক কৰা হৈছে। গাহৰি উৎপাদক তথা গাহৰি পালকসকলক নতুনকৈ কোনো স্থানত যাতে আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগৰ সংক্ৰমণ হ'ব নোৱাৰে, সেইক্ষেত্ৰত কঠোৰ সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ জাৰি কৰা হৈছে। এই আদেশ অনুসৰি গাহৰিৰ খাদ্যৰ যিকোনো ধৰণৰ পৰিবহণৰ বাবে পশুপালন আৰু পশু চিকিৎসা বিভাগৰ পৰা অনুমতি লোৱাটো বাধ্যতামূলক কৰা হৈছে। পৰৱৰ্তী আদেশ নিদিয়া পৰ্যন্ত এই আদেশ বাহাল থাকিব বুলি নিৰ্দেশনাটোত উল্লেখ আছে।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ উদ্যোগত যোৱা ১৭ অক্টোবৰত নতুন দিল্লীৰ বিজ্ঞান ভৱনত অনুষ্ঠিত **আদি কৰ্মযোগী অভিযান**ৰ ৰাষ্ট্ৰীয় সন্মিলনত কামৰূপ জিলাৰ বকো উন্নয়ন খণ্ডৰ এটা প্ৰতিনিধি দলে অংশগ্ৰহণ কৰে। উন্নয়ন খণ্ডটোৰ অন্তৰ্গত কলিয়াবৰী গাঁৱৰ আদি সাথী জিতুল ৰাভাক কৰ্মযোগী অভিযানৰ ৰাষ্ট্ৰীয় সন্মিলনত তেওঁৰ অসাধাৰণ নিষ্ঠা আৰু সেৱাৰ বাবে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সন্মানিত কৰে। আদি কৰ্মযোগী প্ৰতিনিধি দলটোৱে আজি কামৰূপ জিলাৰ আয়ুক্তক সাক্ষাৎ কৰি ৰাষ্ট্ৰীয় পৰ্যায়ত লাভ কৰা স্বীকৃতিৰ বিষয়ে অৱগত কৰে। জিলা আয়ুক্তই দলটোক অভিনন্দন জ্ঞাপন কৰাৰ লগতে এই অভিযানৰ অধীনত সামৰি লোৱা জিলাখনৰ ১২৮ খন গাঁৱত কামকাজ অব্যাহত ৰাখিবলৈ আহ্বান জনায়।

ooooo

গুজৰাটৰ গান্ধী নগৰত সীমান্ত সুৰক্ষা বাহিনীৰ ১৩৭ নম্বৰ বেটেলিয়ান কেম্পত কৰ্মৰত বজালী জিলাৰ গেৰুৱাপাৰাৰ ৰাতুল বায়ন নামৰ জোৱানজনৰ নশ্বৰ দেহ আজি নিশাৰ ভিতৰত বাসগৃহলৈ লৈ অনা হ'ব। আমাৰ বজালীৰ সংবাদদাতাই জনোৱা মতে ৩৩ বছৰীয়া জোৱানজন কালি কৰ্তব্যৰত অৱস্থাত অসুস্থ হৈ পৰাত তেওঁক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় আৰু চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু হয়। জোৱানগৰাকীৰ এই আকস্মিক বিয়োগত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

ooooo

ছিডনীত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত আজি ভাৰতে ঘৰুৱা দল অষ্ট্ৰেলিয়াক ৯ উইকেটত পৰাস্ত কৰে। অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে বেটিং কৰি ৪৬ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৩৬ ৰান সংগ্ৰহ কৰে। দলৰ হৈ মেট ৰেনশ্ব'ই সৰ্বাধিক ৫৬ ৰান কৰে। হৰ্ষিত ৰাণাই ৪টা আৰু ৱাশ্বিংটন সুন্দৰে দুটা উইকেট দখল কৰে। মহম্মদ ছিৰাজ, প্ৰসিদ্ধ কৃষ্ণা, কুলদীপ যাদৱ আৰু অক্ষৰ পেটেলে এটা উইকেট লয়। প্ৰত্যুত্তৰত ভাৰতে ৩৮ অভাৰ আৰু ৩টা বলত এটা উইকেটৰ বিনিময়ত ২৩৭ ৰাণ সংগ্ৰহ সহজে বিজয় সাব্যস্ত কৰে। দলৰ হৈ ৰোহিত শৰ্মা ১২৫টা বলত সৰ্বাধিক ১২১ ৰান আৰু বিৰাট কোহলীয়ে ৮১টা বলত ৭৪ ৰান কৰি অপৰাজিত হৈ থাকে। ৰোহিত শৰ্মাক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। অৱশ্যে ভাৰতৰ এই সহজ জয়ৰ পাছতো অষ্ট্ৰেলিয়াই ২-১ ফলাফলত শৃংখলা দখল কৰে।

ooooo

সমাপ্ত